# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-06-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সামাজিক মাধ্যমৰ একাউণ্টৰ পৰা মোডী কা পৰিবাৰ বাক্যশাৰী আঁতৰ কৰিবলৈ জনসাধাৰণৰ প্ৰতি অনুৰোধ জনাইছে।

২। তেলুগু দেশম পাৰ্টীৰ মুৰব্বী চন্দ্ৰবাবু নাইডুৱে আজি অন্ধ্ৰ প্ৰদেশৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা মোহন চৰণ মাঝি ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী হব।

৩। লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিৱেদীক পৰৱৰ্ত্তী স্থল সেনাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে।

৪। ভাৰতৰ য়ুকি ভাম্বৰি আৰু ফ্ৰান্সৰ অল্বানো অ'লিৱেটিৰ যুটীটো ষ্টুটগাৰ্ট অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। *আৰু*

৫। ভাৰত আজি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছে যে নিৰ্বাচনী প্ৰচাৰৰ সময়ত সমগ্ৰ দেশৰ জনসাধাৰণে তেওঁৰ প্ৰতি মৰম ভালপোৱাৰ চিনস্বৰূপে ছ'চিয়েল মিডিয়াত নিজৰ পৰিচয়ৰ সৈতে মোডী কা পৰিবাৰ বাক্যশাৰীত যোগ কৰিছে আৰু ইয়াৰ পৰা তেওঁ যথেষ্ট শক্তি লাভ কৰিছে। শ্ৰীমোডীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টত কৈছে যে দেশৰ জনসাধাৰণে এন ডি এ মিত্ৰজোঁটক একেৰাহে তৃতীয়বাৰৰ বাবে সংখ্যাগৰিষ্ঠতা প্ৰদান কৰিছে আৰু এয়া এক ধৰণৰ অভিলেখ। জনসাধাৰণে এন ডি এক দেশৰ উন্নয়নৰ হকে কাম কৰি যাবলৈ জনাদেশ দিয়া বুলিও তেওঁ উল্লেখ কৰে। আমি সকলো এটা পৰিয়াল -এই বাৰ্তা ফলপ্ৰসূভাৱে প্ৰদান কৰাৰ বাবে জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰি শ্ৰীমোডীয়ে সামাজিক মাধ্যমৰ একাউণ্টৰ পৰা মোডী কা পৰিবাৰ বাক্যশাৰী আঁতৰ কৰিবলৈ অনুৰোধ জনাইছে। তেওঁ কয় যে সামাজিক মাধ্যমৰ ডি পিত নাম সলনি হ'ব পাৰে কিন্তু দেশৰ উন্নয়নৰ প্ৰতি প্ৰয়াসৰত এটা পৰিয়াল হিচাপে আমাৰ বান্ধোন সদায় অটুট আৰু শক্তিশালী হৈ থাকিব।

ooooo

তেলুগু দেশম পাৰ্টীৰ মুৰব্বী চন্দ্ৰবাবু নাইডুৱে আজি দিনৰ ১১ বাজি ২৭ মিনিটত বিজয়ৱাড়া আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সমীপৰ কেশৰপল্লী আই টি উদ্যানত অন্ধ্ৰ প্ৰদেশৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ভালেসংখ্যক বিশিষ্ট ব্যক্তি শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থকাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে শ্ৰীনাইডুৱে কালি ৰাজ্যপাল এছ্ আব্দুল নজিৰক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী জনায়। ৰাজ্যপালে শ্ৰীনাইডুৰ এন ডি এৰ বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰে আৰু চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা মোহন চৰণ মাঝি ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী হব। শ্ৰীমাঝিয়ে আজি বিয়লি ভূৱনেশ্বৰৰ জনতা ময়দানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম, অশ্বিনী বৈষ্ণৱ আৰু বিজেপি শাসিত ৰাজ্যৰ কেইবাগৰাকীও মুখ্যমন্ত্ৰীয়ে শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বিজেপিৰ বিধায়িনী দলে কালি ৫২ বছৰীয়া মাঝিক সৰ্বসন্মতিক্ৰমে নেতা হিচাপে বাছনি কৰে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু ভূপেন্দ্ৰ যাদৱ বিধায়িনী দলৰ বৈঠকত কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে উপস্থিতি থাকে। মোহন চৰণ মাঝি ক্যোনঝৰ সমষ্টিৰ পৰা চাৰিবাৰকৈ বিধানসভালৈ নিৰ্বাচিত হৈছে। তেওঁ ২০০০, ২০০৪, ২০১৯ আৰু ২০২৪ চনত সমষ্টিটোৰ পৰা নিৰ্বাচনত জয়ী হৈছে। বিধায়িনী দলৰ নেতা হিচাপে বাছনি লাভ কৰাৰ পাছত শ্ৰীমাঝিয়ে কয় যে তেওঁৰ চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাব। বিজেপিয়ে লগতে দলৰ জ্যেষ্ঠ নেতা কনক বৰ্দ্ধন সিংদেও আৰু প্ৰভাতী পাৰিদাক উপ-মুখ্যমন্ত্ৰী হিচাপে মনোনীত কৰাৰ সিদ্ধান্ত লৈছে। প্ৰাক্তন মন্ত্ৰী শ্ৰী সিংদেওৱে পাটনাগড় সমষ্টিক প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে শ্ৰীমতী পাৰিদাই এইবেলি নিমাপাৰা সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হৈছে।

০০০০০

লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিৰেদীক পৰৱৰ্ত্তী স্থল সেনাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ অহা ৩০ জুনত কাৰ্যভাৰ গ্ৰহণ কৰিব। বৰ্তমানৰ স্থল সেনাধ্যক্ষ জেনেৰেল মনোজ পাণ্ডেই সিদিনাখন অৱসৰ গ্ৰহণ কৰিব।

১৯৬৪ চনৰ পহিলা জুলাইত জন্মগ্ৰহণ কৰা লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিৰেদীয়ে ১৯৮৪ চনৰ ১৫ ডিচেম্বৰত ভাৰতীয় সেনাৰ পদাতিক বাহিনী জম্মু-কাশ্মীৰ ৰাইফলছত যোগদান কৰিছিল। প্ৰায় ৪০ বছৰজোৰা দীঘলীয়া আৰু বিশিষ্ট সেৱা কালত তেওঁ বিভিন্ন পদত সেৱা আগবঢ়াইছে। স্থলসেনা বাহিনীৰ উপ-সেনা মুৰব্বী হিচাপে নিযুক্তি লাভ কৰাৰ পূৰ্বে লেফটেনেণ্ট জেনেৰেল দ্বিৰেদীয়ে ২০২২ৰ পৰা ২০২৪ চনলৈ পদাতিক বাহিনীৰ সঞ্চালক প্ৰধান আৰু উত্তৰ কামাণ্ডৰ মুখ্য কাৰ্যালয়ৰ জেনেৰেল অফিচাৰ কামাণ্ডিং ইন চীফসহ ভালেমান গুৰুত্বপূৰ্ণ পদত সেৱা আগবঢ়াই আহিছে। মধ্যপ্ৰদেশৰ ৰিৱাৰ সৈনিক স্কুল আৰু ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা মহাবিদ্যালয় তথা আমেৰিকাৰ আৰ্মি ৱাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ লেফটেনেণ্ট জেনেৰেল দ্বিৰেদীয়ে প্ৰতিৰক্ষা আৰু ব্যৱস্থাপনা অধ্যয়নত এমফিল ডিগ্ৰী লাভ কৰিছিল। তেওঁ লগতে কৌশলগত অধ্যয়ন আৰু সামৰিক বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। তেওঁক পৰমবিশিষ্ট সেৱা পদক, অতিবিশিষ্ট সেৱা পদক আৰু তিনিবাৰকৈ জেনেৰেল অফিচাৰ কামাণ্ডিং ইন চীফ প্ৰশস্তি কাৰ্ডেৰেও সন্মানিত কৰা হৈছে।

০০০০০

নতুন দিল্লীত কালি পীযুষ গোৱেলে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। এই উপলক্ষে তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শক্তিশালী আৰু উন্নয়নমুখী শাসন ব্যৱস্থাই সমগ্ৰ দেশতে প্ৰগতিৰ ঢৌৰ সৃষ্টি কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে যুৱ প্ৰজন্মৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ লগতে সকলো নাগৰিকৰ কল্যাণৰ হকে অদম্যতাৰে কাম কৰাৰ বাবে মন্ত্ৰালয় দায়বদ্ধ বুলি মন্তব্য কৰে। অটল অক্ষয় উৰ্জা ভৱনত প্ৰহ্লাদ যোশীয়ে গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ উপৰি নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। শ্ৰীপদ য়েছ' নাইকেই নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ৰাজীৱ ৰঞ্জন সিঙে মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ৰ লগতে পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ দায়িত্ব গ্ৰহণ কৰে। একেদৰে গজেন্দ্ৰ সিং শ্বেখাৱটে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী

হিচাপে দায়িত্ব গ্ৰহণ কৰে। এই উপলক্ষে ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁক বিশ্বব্যাপী ভাৰতক প্ৰদৰ্শন কৰাৰ লগতে বিশ্ববাসীক দেশলৈ আমন্ত্ৰণ জনোৱাৰ দায়িত্ব দিয়া হৈছে। একেদৰে ড° বীৰেন্দ্ৰ কুমাৰে কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৰলীকৰণ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ ৰাজ্য মন্ত্ৰী হিচাপে নিখিল খাদছে দায়িত্ব গ্ৰহণ কৰে। ড০ সুকান্ত মজুমদাৰে উত্তৰ পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি নতুন দিল্লীৰ অটল অক্ষয় উৰ্জা ভৱনত সমবায় মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে তেঁও কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সমবায়ৰ পৰা সমৃদ্ধি দৃষ্টিভংগী আগত ৰাখি সমবায় মন্ত্ৰালয়ে দেশৰ অৰ্থনীতিক শক্তিশালী কৰাৰ লগতে কৃষকসকলক উপকৃত কৰি গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ বাবে কাম কৰি যাব। সহযোগিতাৰ ধাৰণাক সবল কৰি তোলাৰ সমান্তৰালকৈ এই খণ্ডৰ সৈতে জড়িত কোটি কোটি লোকক নতুন সুযোগ দি তেওঁলোকৰ জীৱনলৈ ইতিবাচক পৰিৱৰ্তন আনিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০

পীয়ুষ গোৱেলে কালি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰি দুয়োটা বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকৰ সময়ত মন্ত্ৰীগৰাকীয়ে সহযোগিতা অব্যাহত ৰখাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। অনাগত দিনত ধাৰাবাহিকভাৱে বৈঠকত মিলিত হৈ মন্ত্ৰালয়ৰ বিভিন্ন নীতি আৰু কৰ্মপন্থা সম্পৰ্কে আলোচনা অব্যাহত ৰাখিব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। তেঁও লগতে বিষয়াসকলক সততা, দক্ষতা আৰু পৰিসৰৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ কয় যে ৰপ্তানি আৰু ঘৰুৱা উৎপাদন বৃদ্ধিৰ বাবে থকা আঁচনিসমূহ সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব লাগিব। মন্ত্ৰালয়ৰ বিষয়াসকলক ভাৰতৰ অগ্ৰগতি নিশ্চিত কৰিবলৈ গুণগত মানক মন্ত্ৰ হিচাপে গঢ়ি তুলিবলৈও মন্ত্ৰীগৰাকীয়ে উৎসাহিত কৰে।

০০০০০

ভাৰতৰ ইউকি ভাম্ব্ৰি আৰু তেওঁৰ সহযোগী ফ্ৰান্সৰ আলবানো অলিভেট্টিয়ে কালি জাৰ্মানীত অনুষ্ঠিত ষ্টুটগাৰ্ট অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাম্ব্ৰি আৰু অলিভেট্টিয়ে বৰ্তমানৰ উইম্বলডন চেম্পিয়ন আৰু নিউজিলেণ্ডৰ মাইকেল ভেনাছ আৰু যুক্তৰাষ্ট্ৰৰ নীল স্কুপস্কিৰ দ্বিতীয় স্থানৰ যুটিটোক ৬-৪, ৬-২ পোনপটীয়া ছেটত পৰাস্ত কৰে। ভাৰত-ফ্ৰান্সৰ যুটিটোৱে আজি কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সৰ থিও আৰিবেজ আৰু ছাডিঅ' ড'ম্বিয়াৰ মুখামুখি হব।

০০০০০

ভাৰতে আজি নিউয়ৰ্কৰ নাছাউকাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। দুয়োটা দল প্ৰতিযোগিতাত বৰ্তমানলৈ এখনো খেলত পৰাজিত হোৱা নাই। ভাৰতে পাকিস্তান আৰু আয়ৰলেণ্ডৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰাৰ বিপৰীতে আমেৰিকাই কানাডা আৰু পাকিস্তানক পৰাভূত কৰিছে। ভাৰত উন্নত ৰাণ ৰেটৰ ভিত্তিত গ্ৰুপৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। আনহাতে আমেৰিকা দ্বিতীয় স্থানত আছে।

ইফালে, এণ্টিগুৱাত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত অষ্ট্ৰেলিয়াৰ নামিবিয়াৰ সন্মুখীন হৈছে। খেলখনত নামিবিয়াই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ১০ অভাৰত ৫টা উইকেট হেৰুৱাই ৩১ ৰাণ সংগ্ৰহ কৰি খেলি আছে। আনহাতে, ফ্লৰিডাত শ্ৰীলংকা আৰু নেপালৰ মাজত হ'বলগীয়া খেলখন এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হৈছে।

ইপিনে, পাকিস্তানে যোৱা নিশা নিউয়ৰ্কৰ নাছাউকাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কানাডাক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত পাকিস্তানে ১০৭ ৰাণৰ বিজয়লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু তিনিটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হয়। পাকিস্তানৰ মহম্মদ ৰিজৱানে ৫৩ আৰু বাবৰ আজমে ৩৩ ৰাণ কৰে।

ইয়াৰ পূৰ্বে কানাডাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১০৬ ৰাণ কৰে। কানাডাৰ অপেনাৰ এৰন জনছনে ৪৪টা বলত ৫২ ৰাণ কৰে। পাকিস্তানৰ হৈ মহম্মদ আমিৰ আৰু হাৰিছ ৰউফে দুটাকৈ উইকেট লাভ কৰে। আমিৰক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

00000

ডোহাত অনুষ্ঠিত ফিফা বিশ্বকাপ ২০২৬ এ এফ চি কোৱালিফায়াৰ প্ৰতিযোগীতাৰ দ্বিতীয় ৰাউণ্ডত ভাৰতীয় পুৰুষ দলটোৱে বৰ্তমানৰ এছিয়ান চেম্পিয়ন কাটাৰৰ বিৰুদ্ধে ১-২ গ’লত পৰাস্ত হয়। ভাৰতৰ হৈ ললিয়ানজুয়ালা ছাংটেই ৩৭ মিনিটত প্ৰথমটো গ’ল দি দলক অগ্ৰগতি প্ৰদান কৰে যদিও কাটাৰৰ যোচেফ আয়মেনে ৭৩ মিনিটত গল দিবলৈ সমৰ্থ হয়। খেলৰ ৮৫ মিনিটত কাটাৰৰ আহমেদ আল ৰাৱীয়ে আন এটা গলেৰে কাটাৰৰ জয় নিশ্চিত কৰে। এই পৰাজয়ৰ লগে লগে ভাৰতে এ এফ চি এছিয়ান কাপ ২০২৭ৰ বাবেও যোগ্যতা লাভৰ পৰা বঞ্চিত হৈছে।

00000

**সমাপ্ত**